
অসম

৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনায় ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে

২০ নৱেম্বৰৰ পৰা আহ্বান জনোৱা ৪৮ ঘণ্টীয়া কর্মবিৰতি আৰু চকাবন্ধ কার্যসূচীক সমর্থন নজনোৱাৰ কথা স্পষ্ট কৰিলে ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:৪০



SEVEN STATE TOURIST CAB OPERATORS UNION
ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়ন
Sawkuchi, Guwahati-781040 সঁকুছি, গুৱাহাটী
President Estd. : 2023 Regd. No. General Secretary

Ref. No. SSTCOU/315/2026 Date: 19-11-2026

প্রেছ বিজ্ঞপ্তি

৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনায়
ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে

গুৱাহাটী, ১৯ নৱেম্বৰঃ অসমৰ বেচৰকাৰী মটৰ শ্রমিক সস্থা আৰু মটৰ মালিক সস্থাসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত অদ্য ২০ নৱেম্বৰ, ২০২৬ তাৰিখৰ পুৱা ৬ বজাৰ পৰা ২২ নৱেম্বৰ, ২০২৬ তাৰিখৰ পুৱা ৬ বজালৈ আহ্বান জনোৱা ৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে সমর্থন জনোৱা নাই।

এই সম্পর্কত ইউনিয়নৰ সভাপতি ইছমাইল আলীয়ে জানিবলৈ দিয়ে যে, উক্ত সময়ছোৱাত পর্যটক বাহনৰ মালিক-চালকসকলৰ লগতে বিভিন্ন ট্রেভেল এজেঞ্চীৰ বাহনসমূহ ভাৰতবর্ষৰ বিভিন্ন ৰাজ্যত পর্যটক কঢ়িয়াই ভ্রমণ কৰি আছে। যিহেতু পর্যটকসকলে ১৫ৰ পৰা ২০ দিনৰ বাবে উত্তৰ-পূর্বাঞ্চল ভ্রমণ কৰিবলৈ আহে, সেয়েহে হঠাতে এনে কর্মবিৰতিৰ সিদ্ধান্ত গ্রহণ কৰিলে পর্যটকসকলৰ লগতে পর্যটন উদ্যোগৰ সৈতে জড়িত সকলো পক্ষই যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব।

সেয়েহে এনে হঠাৎ গ্রহণ কৰা সিদ্ধান্তক ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নৰ লগতে পর্যটন ক্ষেত্রৰ সৈতে জড়িত আন কোনো ইউনিয়নেও সমর্থন কৰিব পৰা নাই।

ইউনিয়নে লগতে স্পষ্ট কৰি দিয়ে যে, যিকোনো সিদ্ধান্ত গ্রহণ কৰাৰ পূর্বে অসমৰ সকলো মটৰ শ্রমিক আৰু মালিক সংগঠন একত্রিত হৈ আলোচনাৰ মাধ্যমেৰে উমৈহতীয়া সিদ্ধান্ত গ্রহণ কৰাটো অত্যন্ত প্রয়োজনীয়।

জানহাতে, ইতিমধ্যে পর্যটক বাহনৰ ভাড়া বৃদ্ধিৰ ক্ষেত্রত চৰকাৰৰ ওচৰত পর্যটক বাহনৰ মালিক-চালকসকলে পোনপটীয়াকৈ দাবী জনাব নোৱাৰে সংশ্লিষ্ট ট্রেভেল এজেঞ্চীসমূহৰ জৰিয়তে এই দাবী উত্থাপন কৰাটো অধিক যুক্তিসংগত। এই ক্ষেত্রত ট্রেভেল এজেঞ্চীসমূহে সম্পূর্ণ সহযোগিতা আগবঢ়াব লাগিব বুলি ইউনিয়নে মত প্রকাশ কৰে।

ইয়াৰ উপৰি, বিভিন্ন সময়ত মটৰ শ্রমিক সংগঠনসমূহে দাবী জনাই অহা মটৰ শ্রমিকৰ কল্যাণমূলক আঁচনিৰ পঞ্জীয়নৰ কাম অদ্য ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হ'ব বুলি চৰকাৰী সূত্রে জানিবলৈ পোৱা গৈছে।

The Seven State Tourist Cab Operators' Union Press Release (NewzNow)

গুৱাহাটী, ১৯ নৱেম্বৰ: অসমৰ বেচৰকাৰী মটৰ শ্রমিক সস্থা আৰু মটৰ মালিক সস্থাসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বানত ২০ নৱেম্বৰ, ২০২৬ৰ পুৱা ৬ বজাৰ পৰা ২২ নৱেম্বৰ, ২০২৬ৰ পুৱা ৬ বজালৈ অনুষ্ঠিত হ'বলগীয়া ৪৮ ঘণ্টীয়া কর্মবিৰতি তথা চকাবন্ধ কার্যসূচীক সমর্থন নজনোৱাৰ কথা স্পষ্ট কৰিছে ছেভেন ষ্টেট টুৰিষ্ট কেব অপাৰেটর্ছ ইউনিয়নে।

ইউনিয়নৰ সভাপতি ইছমাইল আলীয়ে জনায় যে, উক্ত সময়ছোৱাত পর্যটক বাহনৰ মালিক-চালকসকলৰ লগতে বিভিন্ন ট্রেভেল এজেঞ্চীৰ বাহনসমূহে ভাৰতৰ বিভিন্ন ৰাজ্যত পর্যটক কঢ়িয়াই ভ্রমণ কৰি আছে। পর্যটকসকলে সাধাৰণতে ১৫ৰ পৰা ২০ দিনৰ বাবে উত্তৰ-পূর্বাঞ্চল ভ্রমণলৈ আহে বুলি উল্লেখ কৰি তেওঁ কয় যে, হঠাতে কর্মবিৰতিৰ সিদ্ধান্ত ল'লে পর্যটকসকলৰ লগতে পর্যটন উদ্যোগৰ লগত জড়িত সকলো পক্ষই অসুবিধাৰ সন্মুখীন হ'ব।

এনে হঠাতে লোৱা সিদ্ধান্তক ইউনিয়নটোৰ উপৰি পর্যটন ক্ষেত্ৰৰ লগত জড়িত আন কোনো ইউনিয়নেও সমর্থন কৰিব পৰা নাই বুলি আলীয়ে জনায়। যিকোনো সিদ্ধান্ত লোৱাৰ পূর্বে অসমৰ সকলো মটৰ শ্ৰমিক আৰু মালিক সংগঠনে একত্রিত হৈ আলোচনাৰ জৰিয়তে উমৈহতীয়া সিদ্ধান্ত লোৱাটো অত্যন্ত প্রয়োজনীয় বুলিও ইউনিয়নে মত প্রকাশ কৰে।

পর্যটক বাহনৰ ভাড়া বৃদ্ধিৰ দাবী বাহনৰ মালিক-চালকসকলে পোনপটীয়াকৈ চৰকাৰৰ ওচৰত উত্থাপন কৰিব নোৱাৰে বুলি উল্লেখ কৰি ইউনিয়নে কয় যে, সংশ্লিষ্ট ট্রেভেল এজেঞ্চীসমূহৰ জৰিয়তে এই দাবী উত্থাপন কৰাটো অধিক যুক্তিসংগত। এই ক্ষেত্রত ট্রেভেল এজেঞ্চীসমূহে সম্পূর্ণ সহযোগিতা আগবঢ়াব লাগিব বুলিও ইউনিয়নে মত প্রকাশ কৰে।

ইফালে, মটৰ শ্ৰমিক সংগঠনসমূহে বিভিন্ন সময়ত দাবী উত্থাপন কৰি অহা মটৰ শ্ৰমিকৰ কল্যাণমূলক আঁচনিৰ পঞ্জীয়নৰ কাম অহা ডিচেম্বৰ মাহৰ পৰা আৰম্ভ হ'ব বুলি চৰকাৰী সূত্রে জানিব পৰা গৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4379/assam-tourist-cab-union-strike